**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-01-2025 **Time :** 0755 Hrs.

## Assamese Morning Bulletin

ভাৰতীয় ৰে'লৱেই গুৱাহাটী আৰু উত্তৰ লখিমপুৰৰ মাজত চলাচল কৰোৱাৰ সিদ্ধান্ত লোৱা নতুন জন শতাব্দী এক্সপ্ৰেছ ৰে'লগাড়ীখনৰ যাত্ৰা আজি গুৱাহাটীত ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে শুভাৰম্ভ কৰিব। ব্ৰহ্মপুত্ৰ উত্তৰ পাৰৰ সৈতে গুৱাহাটীৰ ৰে'ল যোগাযোগ অধিক সুচল কৰাৰ বাবে এই ৰে'লখন প্ৰৱৰ্তনৰ সিদ্ধান্ত লোৱা হৈছে। ৰে'ল বিভাগৰ সূত্ৰই জনোৱা মতে, সপ্তাহত দুবাৰকৈ চলাচল কৰিবলগীয়া এই ৰে'লগাড়ীখনে পুৱা ৯ বাজি ৫০ মিনিটত গুৱাহাটীৰ পৰা যাত্ৰা আৰম্ভ কৰি বিয়লি ৪ বাজি ১৫ মিনিটত উত্তৰ লখিমপুৰ পাবগৈ আৰু বিয়লি ৫ বজাত উত্তৰ লখিমপুৰৰ পৰা যাত্ৰা কৰি নিশা ১১ বাজি ২৫ মিনিটত গুৱাহাটী পাবহি।

ৰে'লমন্ত্ৰীগৰাকীয়ে আজি পতাকা জোকাৰি তিনিচুকীয়া-নাহৰলগুন এক্সপ্ৰেছ আৰু গুৱাহাটী-নিউ বঙাইগাঁও যাত্ৰীবাহী ৰে'লগাড়ী দুখনৰ যাত্ৰাৰো শুভাৰম্ভ কৰিব। মন্ত্ৰীগৰাকীয়ে তেতেলীয়াত নিৰ্মাণ কৰা এখন পথ উৰণসেতুও উদ্বোধন কৰিব।

০০০০০০

আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰৰ ১০ কিলোৱাট শক্তি সম্পন্ন নতুন এফ এম ট্ৰান্সমিটাৰটো আজি আনুষ্ঠানিকভাৱে ৰাইজৰ সেৱাত উৎসৰ্গিত কৰা হ'ব। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে  গুৱাহাটীত আয়োজিত এটা অনুষ্ঠানত ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে এই ট্ৰান্সমিটাৰটো আনুষ্ঠানিকভাৱে মুকলি কৰিব। অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, আকাশবাণীৰ সঞ্চালক প্ৰধান প্ৰজ্ঞা পালিৱাল গৌড়  আৰু আন কেইবাগৰাকীও বিশিষ্ট ব্যক্তি গুৱাহাটীত উপস্থিত থাকিব। এই উপলক্ষে একে সময়তে কোকৰাঝাৰ বিজ্ঞান মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, কোকৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদ জয়ন্ত বসুমতাৰী, ৰাজ্যসভাৰ সাংসদ ৰণগৌড়া নাৰ্জাৰী আৰু কোকৰাঝাৰৰ ভালেকেইগৰাকী গণ্য-মান্য ব্যক্তি উপস্থিত থাকিব।

আজিৰ পৰা পশ্চিম অসমৰ শ্ৰোতাসকলে এফ এম বেণ্ডৰ ১০২ মেগাহাৰ্টজত আকাশবাণী কোকৰাঝাৰৰ অনুষ্ঠানসমূহ শুনিব পাৰিব।

০০০০০০

টাইপাৰ চৰাইদেউ জিলা সমিতিৰ আতিথ্যত আৰু চৰাইদেউবাসীৰ সহযোগত ভজো বেচিক মাজপথাৰ চাওল্যুং চ্যুকাফা সমন্বয় ক্ষেত্ৰত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে টাই আহোম যুৱ পৰিষদ, অসমৰ ষষ্ঠ কেন্দ্ৰীয় অধিবেশনৰ আয়োজন কৰা হৈছে। আজি পুৱা ৯ বজাত পতাকা উত্তোলনেৰে এই অধিবেশন আৰম্ভ হ'ব।  বিয়লি ২ বজাত কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হ'ব। সন্ধিয়া ৫ বজাত বন্তি প্ৰজ্বলনৰ পাছতে ৬ বজাত অসমৰ জাতীয় জীৱনলৈ টাই আহোম জনগোষ্ঠীৰ অৱদান শীৰ্ষক বিশেষ বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হৈছে। অধিবেশনস্থলীত গ্ৰন্থমেলা, বস্ত্ৰমেলা আৰু টাই আহোমৰ লগতে বিভিন্ন জনগোষ্ঠীৰ খাদ্য মেলাৰ বাবে ২০০খন বিপণীয়ে অংশগ্ৰহণ কৰিছে। ৫ জানুৱাৰীত হ'বলগীয়া অধিবেশনৰ মুকলি সভাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, পবিত্ৰ

মাৰ্ঘেৰিটা, যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈ, অৰুণাচলৰ উপ-মুখ্যমন্ত্ৰী ছৌনা মেইন, নাগালেণ্ড স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী পি পাইৱং কন্যাক সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব।

oooooo

বাংগালুৰুৰ ইকম চায়েন্স কনচাল্টিং প্ৰাইভেট লিমিটেড নামৰ এটা কোম্পানী গোলাঘাটৰ গুণাৰাম খনিকৰ বনৌষধী উদ্যান আৰু সংগ্ৰাহালয়ৰ পুনৰুজ্জীৱিতকৰণৰ বাবে আগবাঢ়ি আহিছে। ইয়াৰ বাবে কালি কেন্দ্ৰীয় আয়ুষ মন্ত্ৰালয়ৰ বিজ্ঞানীসহ এটা বিশেষ দল গোলাঘাটত উপস্থিত হয়। বিশেষজ্ঞ দলটোৱে প্ৰথমে দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ অধ্যক্ষ জয়ন্ত বাৰুকিয়ালক সাক্ষাৎ কৰে আৰু মহাবিদ্যালয়খনত এখন সভা অনুষ্ঠিত কৰি উদ্যানখন কিদৰে পুনৰুজ্জীৱিত কৰি তুলিব পাৰি তাৰ ৰূপৰেখা প্ৰস্তুত কৰে। এই সন্দৰ্ভত শীঘ্ৰেই দেৱৰাজ ৰয় মহাবিদ্যালয়ত এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ অনুষ্ঠিত হয়। গুণাৰাম খনিকৰৰ মৃত্যুৰ পাছত এসময়ৰ বহুতৰে আকৰ্ষণৰ কেন্দ্ৰ এই ঔষধী গছৰ উদ্যান আৰু সংগ্ৰহালয় প্ৰায় ৮ বছৰ ধৰি অৱহেলিত হৈ পৰি থকাৰ ফলত এৰাবাৰী সদৃশ হৈ পৰিছে।

oooooo

ঠেঙাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ অধ্যক্ষৰূপে প্ৰতাপ কছাৰী আৰু মুখ্য কাৰ্যবাহী সদস্যৰূপে কুমুদ চন্দ্ৰ কছাৰীয়ে কালি শপত গ্ৰহণ কৰে। ঠেঙাল সাংস্কৃতিক কেন্দ্ৰ আৰু সংগ্ৰহালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত অনুষ্ঠানত জিলা আয়ুক্ত জয় শিৱানীয়ে তেওঁলোকক শপত বাক্য পাঠ কৰোৱায়। এই অনুষ্ঠানত তিতাবৰৰ বিধায়ক ভাস্কৰজ্যোতি বৰুৱা, প্ৰাক্তন বিধায়ক ৰাণা গোস্বামী, দেউৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ভৈৰৱ দেউৰী আদি উপস্থিত থাকে।

ooooooo

যোৰহাট জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত আজিৰেপৰা দুদিনীয়াকৈ আমন্ত্ৰণমূলক ৰাষ্ট্ৰীয় পৰ্যায়ৰ দিবা-নৈশ ভলীবল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। দেশৰ ছটা আগশাৰীৰ ভলীবল দলে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব। বিশিষ্ট ক্ৰীড়া সংগঠক, অসম ভলীবল সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক তথা ৰাজ্য চৰকাৰৰ ক্ৰীড়া পেঞ্চনাৰ অমল বৰুৱাৰ সোঁৱৰণত যোৰহাট জিলা ক্ৰীড়া সন্থাই এই প্ৰতিযোগিতাৰ আয়োজন কৰি আহিছে।

ooooooo

**সমাপ্ত**